# প্ৰেছ বাৰ্তা

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰী ঃ** সদ্যসমাপ্ত দক্ষিণ এছীয় ক্ৰীড়া সমাৰোহ অতি সফলতাৰে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অসম আৰক্ষীৰ প্ৰতি আগবঢ়োৱা ঐকান্তিক সহযোগিতাৰ বাবে সমগ্ৰ গুৱাহাটীৰ প্ৰতি কৃতজ্ঞতা তথা ধন্যবাদ জনোৱাৰ উদ্দেশ্যে আজি আৰক্ষী সঞ্চালকপ্ৰধান মুকেশ সাহাইৰ নেতৃত্বত চান্দমাৰীৰ অসম অভিযান্তিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰা নেহৰু পাৰ্কলৈ এক পদযাত্ৰা উলিওৱা হয়। “ফ্লেগ অফ” কৰি আনুষ্ঠানিকভাৱে এই পদযাত্ৰাৰ শুভাৰম্ভ কৰি আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে ক্ৰীড়া সমাৰোহৰ সময়ছোৱাত আৰক্ষীৰ প্ৰতি সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ বাবে মহানগৰবাসীলৈ কৃতজ্ঞতা জনাই কয় যে মহানগৰবাসীৰ এনে সহঁাৰিয়ে আৰক্ষীৰ মনোবল তথা আত্মবিশ্বাস অধিক সুদৃঢ় কৰিলে। পদযাত্ৰাত অসম আৰক্ষীৰ সমূহ শীৰ্ষ বিষয়া তথা আৰক্ষীৰ বহুসংখ্যক জোৱান তথা কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। নেহৰু পাৰ্কত এই পদযাত্ৰাৰ সামৰণি পৰাৰ অন্তত আৰক্ষীৰ তৰফৰ পৰা পাইপ বেণ্ড আৰু ব্ৰাছ বেণ্ডও প্ৰদৰ্শন কৰা হয়।

**চি পি আৰ অ’**
**অসম আৰক্ষী**